# দুধনৈ মহাবিদ্যালয়ত সমন্বয় সেতু উদ্বোধন

**প্ৰতিদিন বিশেষ সংবাদ, দুধনৈ, ৩০ মে’ ঃ** গোৱালপাৰা জিলাৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠান দুধনৈ মহাবিদ্যালয়ত আটকধুনীয়াকৈ নিৰ্মাণ কৰা ‘সমন্বয় সেতু’ৰ আজি আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে সমাজ কল্যাণ মন্ত্ৰী প্ৰমীলা ৰাণী ব্ৰহ্মই। ২৫ লাখ টকা ব্যয়েৰে নিৰ্মাণ কৰা সেতুখনে ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ কষ্ট লাঘৱ কৰাৰ লগতে মহাবিদ্যালয়খনৰ সৌন্দৰ্যবৰ্ধন কৰিব বুলি তেওঁ আশা ব্যক্ত কৰে। উল্লেখযোগ্য যে মহাবিদ্যালয়খনৰ সন্মুখৰ প্ৰায় তিনিটাফাল পুখুৰীয়ে আগুৰি আছে আৰু মহাবিদ্যালয়খন দ্বীপসদৃশ স্থানত অৱস্থিত। পুখুৰীৰ পাৰে পাৰে কৃষ্ণচূড়া-ৰাধাচূড়া, এজাৰ ফুলেৰে শোভাবৰ্ধন কৰি আছে। এই পুখুৰীৰ ওপৰেৰে নিৰ্মাণ কৰা হৈছে সমন্বয় সেতু। সেতুৰ সন্মুখফালটো শৰাই, গামোচা আৰু জাপিৰে আটকধুনীয়াকৈ নিৰ্মাণ কৰা হৈছে আৰু আনটো পাৰে অসমৰ ঐতিহ্য দুটা গঁড় নিৰ্মাণ কৰা হৈছে। এই সেতুখনে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। সেতু উদ্বোধনৰ পিচতে মন্ত্ৰী প্ৰমীলা ৰাণী ব্ৰহ্মই ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ সৈতে এখন সভাত মিলিত হয়। সভাত মন্ত্ৰী ব্ৰহ্মই কয় যে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° গোপাল ফুকনে মহাবিদ্যালয়ৰ সন্মুখৰ পুখুৰীৰ ওপৰত এখন দলং নিৰ্মাণৰ বাবে এক প্ৰস্তাৱ আগবঢ়াইছিল আৰু তেওঁৰ প্ৰস্তাৱমৰ্মে বিত্তীয় অনুদান আগবঢ়োৱা হৈছিল, আজি সেই দলংখনৰ নাম ‘সমন্বয় সেতু’ নামেৰে উদ্বোধন কৰা হয়। ইপিনে, মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° ফুকনে কাইলৈ অৱসৰ গ্ৰহণ কৰিব। ইয়াৰ আগমুহূৰ্তত আজি তেওঁৰ হৃদয়স্পৰ্শী ভাষণে সকলোৰে হৃদয় চুই যায়। সভাত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ৰসেশ্বৰ ৰাভা, ৰাজহ চক্ৰ বিষয়া-উৰ্মি মেধি, অনুসূচী দাবী সমিতিৰ সভাপতি কুশধ্বজ ৰংগও উপস্থিত থাকি তেওঁলোকৰ ভাষণত অধ্যক্ষ ড° ফুকনৰ তেৰ বছৰীয়া অবদানৰ বিষয়ে কৃতজ্ঞতাৰে ৰোমন্থন কৰে।